অধ্যায় ৬ ঃ খাদ্য সুৰক্ষা আৰু ভাৰতত ৰাজহুৱা বিতৰণ ব্যৱস্থা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ খাদ্য সুৰক্ষাৰ অর্থ

৬.৩.১ পুষ্টিহীনতা আৰু ক্ষুধাৰ অৱস্থিতি

৬.৩.২ খাদ্য সুৰক্ষাৰ পৰিমাপ

৬.৪ ৰাজহুৱা বিতৰণ ব্যৱস্থা

৬.৫ খাদ্য সুৰক্ষাৰ আইন ২০১৩

৬.৬ দৰিদ্রতাৰ ওপৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ প্ৰভাৱ

৬.৬.১ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্যৰ ৰাজসাহার্য্য

৬.৬.২ নিম্নতম সমর্থিত দৰৰ জৰিয়তে কৃষক সকললৈ উদ্‌গনি

৬.৭ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সীমাবদ্ধতা

৬.৮ সমাধানৰ উপায়

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্রগতিৰ খতিয়ান

৬.১২ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- খাদ্য সুৰক্ষাৰ অর্থ আৰু ধাৰণা সম্পর্কে জানিব পাৰিব
- ভাৰতত খাদ্য নিৰাপত্তাহীনতাৰ পর্যায়, গভীৰতা, পুষ্টিহীনতা আৰু ক্ষুধা সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- সর্ববৃহৎ খাদ্য সুৰক্ষা শৃংখল আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)ৰ কার্য্য প্রণালী জানিব পাৰিব
- PDS ৰ আসোঁবাহ আৰু বিফলতা বুজিব পাৰিব আৰু PDS কার্যকৰী কৰণৰ ব্যাপক প্রসাৰণ আৰু প্রগতিশীল কৌশল সম্পর্কে বুজিব পাৰিব।
- অলপতে ঘোষণা কৰা বৃহৎ PDS সংস্কাৰ ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আইন (NFSA), 2013 আৰু ইয়াৰ বৈশিষ্ট্য সমূহ জানিব পাৰিব, যিয়ে দৰিদ্রতা আৰু ক্ষুধা হ্রাস কৰণৰ লক্ষ্য আগত ৰাখিছে আৰু এক সুস্থিৰ জীৱন-যাপনৰ কাৰণে সকলোৰে বাবে খাদ্য মৌলিক অধিকাৰ হিচাপে নিশ্চিত কৰিছে।

৬.২ পৰিচয়

ভাৰতীয় অর্থনীতিক উন্নয়নশীল অর্থনীতি বুলি চিহ্নিত কৰা হৈছে। জনসাধৰাণৰ দৰিদ্রতা এই অর্থনীতিৰ এক মৌলিক বৈশিষ্ট্য। চৰম দৰিদ্রতা আৰু ক্ষুধা দূৰীকৰণ ভাৰতীয় অর্থনীতি তথ্য গোলকীয় অর্থনীতিয়ে সন্মুখীন হোৱাৰ এক প্রত্যাহ্বান। ২০১৬ চনৰ গোলকীয় অর্থনীতিয়ে সন্মুখীন হোৱাৰ এক প্রত্যাহ্বান । ২০১৬ চনৰ গোলকীয় খাদ্য সুৰক্ষা সূচক (Global Food Security Index: GFSI, 2016) অনুসৰি, সমগ্র বিশ্বত ৮০০ নিযুত মানুহ, অর্থাৎ প্রতি ন গৰাকী মানুহ ভিতৰত এজন ক্ষুধাতুৰ হৈ থাকে। পৃথিৰীৰ এক-তৃতীয়াংশ ক্ষুধাতুৰ ভাৰতত বাস কৰে আৰু প্রতিবছৰে ভাৰতীয় মানুহ ভোকত মৃত্যুবৰণ কৰে। দৰিদ্র আৰু প্রভাৰিত মানুহবোৰে প্রয়োজনীয় পুষ্টিকৰ আহাৰ উপভোগ কৰিব নোৱাৰে আৰু উৎপাদনশীল জীৱন-যাপন কৰিব নোৱাৰে, যিটো জীয়াই থকাৰ বাবে এক মৌলিক প্রয়োজন। এই সকল মানুহ খাদ্য নিৰাপত্তাহীনতাত ভোগে আৰু সেয়ে এক কর্ম জীৱন-যাপন কৰিবলৈ অপৰাগ। এই অধ্যায়ত আমি খাদ্য সুৰক্ষাৰ বহুমাত্রিক আৰু জটিল সমস্যা আৰু জনসাধৰণৰ বাবে খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ অর্থে গ্রহণ কৰা ব্যৱস্থা (অর্থাৎ ৰাজহুৱা বিতৰণ ব্যৱস্থা) ৰ বিষয়ে আলোচনা কৰিম।

৬.৩ খাদ্য সুৰক্ষাৰ অর্থ

পর্যাপ্ত পৰিমাণে স্বাস্থ্যকৰ খাদ্য উপভোগ কৰিব পৰাটো এক মৌলিক মানবাধিকাৰ। যেতিয়া এজন ব্যক্তি বা ব্যক্তি সমূহে এক স্বাস্থ্যকৰ আৰু উৎপাদনশীল জীৱন-যাপনৰ বাবে শক্তি আৰু পুষ্টিৰ বাবে প্রয়োজনীয় মৌলিক খাদ্যখিনিও উপভোগ কৰিব নোৱাৰে, তেতিয়া তেওঁলোকক খাদ্য নিৰাপত্তাহীন বুলি কোৱা হয়। ১৯৯৬ চনত অনুষ্ঠিত বিশ্ব খাদ্য সম্মিলন আৰু খাদ্য আৰু কৃষি সংস্থাৰ (FAO)ৰ দ্বাৰা খাদ্য সুৰক্ষাৰ আটাইতকৈ গ্রহণযোগ্য সংজ্ঞাটো দিয়া হৈছিল। FAO এ কৈছে যে "যেতিয়া সকলো মানুহে সকলো সময়তে পর্যাপ্ত পৰিমাণে শাৰীৰিক আৰু অর্থনৈতিক ভাৱে সুৰক্ষিত আৰু পুষ্টিকৰ খাদ্য, তেওঁলোকৰ এক কর্মঠ জীৱন-যাপনৰ বাবে প্রয়োজনীয় খাদ্য আৰু খাদ্য পচন্দ কৰিব পাৰিব তেতিয়াই খাদ্য সুৰক্ষা থাকিব।" খাদ্য অসুৰক্ষিত মানুহ বুলিলে সাধাৰণতে এইসকল মানুহ অন্তর্ভুক্ত হয়- কম মজুৰী বৃত্তিত নিয়োজিত লোক, দিন হাজিৰা কৰা শ্রমিক, ভূমিহীন লোক, কম আয়ৰ স্ব-নিয়োজিত লোক, লক্ষ্যহীন ভিক্ষাৰীয়ে ধৰি শ্রমিক সকল, প্রাকৃতিক দুর্যোগৰ দ্বাৰা আক্রান্ত লোকসকল আৰু আটাইতকৈ গুৰুত্বপূর্ণভাৱে মহিলা আৰু শিশুসকল।

৬.৩.১ পুষ্টিহীনতা আৰু ক্ষুধাৰ অৱস্থিতি

প্রয়োজনীয় পুষ্টিকৰ দ্রব্য যেনে প্র'টিন, ভিটামিন আদি খাদ্যৰ অভাৱৰ পৰা পুষ্টিহীনতাৰ সৃষ্টি হয়।

অৱপুষ্টিৰ লোকসকল হ'ল সেই সকল, যিয়ে সুস্বাস্থ্য আৰু বৃদ্ধিৰ বাবে প্ৰয়োজনীয় নিম্নতম খাদ্যতকৈ (২৫০ কেলৰি / প্ৰতিদিন) কম খাদ্য লাভ কৰে।

ক্ষুধা আৰু খাদ্য অসুৰক্ষাই মানুহৰ দৈনিক আৰু মানসিক স্বাস্থ্য ধ্বংস কৰি তেওঁলোকৰ জীৱন ধাৰণৰ অৱস্থা প্ৰভাৱিত কৰে। পুষ্টি সুৰক্ষা অবিহনে খাদ্য সুৰক্ষা আহৰণ কৰিব নোৱাৰি। সাধাৰণভাৱে, আটাইতকৈ ব্যাপক ভাৱে ব্যৱহৃত পুষ্টিৰ সূচক হ'ল খাদ্য শক্তি বা প্ৰতিদিনে প্ৰতিজন মানুহে গ্ৰহণ কাৰ কেলৰিৰ পৰিমাণ। ৰাষ্ট্ৰীয় নমুনা জৰীপ (National Sample Survey) এ খাদ্য সুৰক্ষাৰ বাবে প্ৰতিদিনে প্ৰতিজন মানুহৰ বাবে ২৭০০ কেলৰি আদৰ্শ মান হিচাপে ব্যৱহাৰ কৰিছে। NSS ৰ ৬৬ সংখ্যক জৰীপৰ মতে, ভাৰতৰ গ্ৰাম্যাঞ্চলত গড় হিচাপত প্ৰতিদিনে প্ৰতিজন মানুহৰ বাবে ২১৪৭ কেলৰি আৰু ভাৰতৰ নগৰ অঞ্চলৰ বাবে ২১২৩ কেলৰি খাদ্য সুৰক্ষাৰ বাবে নিৰ্ধাৰণ কৰিছিল।

খাদ্য অসুৰক্ষাৰ বাবে মানুহৰ মাজত অৱপুষ্টি (under-nourishment) আৰু পুষ্টিহীনতা mal nutrition)ৰ সৃষ্টি হয়। ভাৰতবৰ্ষত অৱপুষ্টিত ভোগ লোকৰ সংখ্যা সৰ্বাধিক।

FAO ৰ, ২০১৫ চনৰ বিশ্বত খাদ্য অসুৰক্ষা প্ৰতিবেদন অনুসৰি, ভাৰতবৰ্ষৰ ১৫.২% জনসংখ্যা অৱপুষ্টিত ভোগে আৰু ১৯৪৬ নিযুত মানুহ প্ৰতিদিনে ক্ষুধাত থাকে। এই সমস্যাটো মহিলা আৰু শিশুৰ ক্ষেত্ৰত অধিক ভয়াবহ; ১৫-৪৯ বছৰ বয়সৰ ভিতৰত ৪৮% মহিলাই এনিমিয়াত ভোগে, যাৰ দৈনিক ভৰ সূচক BMI ১৮.৫ % তকৈ কম। মহিলাৰ স্বাস্থ্যৰ নিম্ন মানদণ্ডই শিশুৰ স্বাস্থ্যৰ ওপৰত ক্ষতিকাৰক প্ৰভাৱ পেলাই। ই শিশুৰ জন্মৰ সময়ত ওজন কম কৰে (২.৫ কেজি)। জন্মৰ সময়ৰ কম ওজনে শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ লগতে সামগ্ৰিক, বৌদ্ধিক বিকাশত বাধাৰ সৃষ্টি কৰে।

2023 চনৰ গ্ল'বেল হাংগাৰ ইনডেক্স (Global Hunger Index: GHI)-ৰ স্ক'ৰত ভাৰতে 125খন দেশৰ ভিতৰত 111 নম্বৰ স্থান লাভ কৰিছে। ইয়াৰ দ্বাৰা 2008 আৰু 2000 চনৰ GHI ৰেটিং ক্ৰমে 35.5আৰু 38.4ৰ তুলনাত যথেষ্ট উন্নতি হৈছে, যিবোৰ সকলোকে চিন্তনীয় বুলি গণ্য কৰা হৈছিল আৰু 2015 চনৰ GHI স্ক'ৰ 29.2ৰ তুলনাত সামান্য উন্নতি হৈছে, যিটোও সমস্যাজনক বুলি গণ্য কৰা হৈছিল। ইয়াৰ উপৰিও ভাৰতত প্ৰতিবেদনত শিশু অপচয়ৰ হাৰ সৰ্বাধিক ([18.7 শতাংশ), লগতে অধ্যয়নৰ পৰা শিশুৰ ষ্টাণ্টিং ([35.5 শতাংশ), অপুষ্টি ([16.6 শতাংশ), আৰুপাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যু ([3.1 শতাংশ) ৰ হাৰ সৰ্বাধিক।



জানি থোৱা ভাল

দীৰ্ঘস্থায়ী ক্ষুধা ঃ দীঘলীয়া সময় জুৰি অপৰ্যাপ্ত খাদ্য

ঋতুগত ক্ষুধা ঃ যেতিয়া এজন মানুহে গোটেই বছৰ জুৰি খাদ্যৰ যোগান কৰিব নোৱাৰে

যদি এনেকুৱা দুৰ্যোগ অতি ব্যাপক এলেকা জুৰি প্ৰসাৰিত হয় বা অতি দীঘলীয়া সময়ৰ কাৰণে হৈ থাকে তেনেহ'লে খাদ্যৰ অভাৱত মৃত্যুৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে।

ব্যাপক হাৰৰ খাদ্যৰ অভাৱত মৃত্যুৰ পৰিস্থিতিয়ে দুৰ্ভিক্ষৰ ৰূপ ল'ব পাৰে। উদাহৰণ স্ৱৰূপে, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ১৯৪৩ -৪৪ ৰ বংগৰ দুৰ্ভিক্ষ আছিল ব্ৰিটিছ ভাৰতৰ বংগ দেশৰ এক ভয়াৱহ দুৰ্ভিক্ষ, য'ত কমেও ৩.৫ নিযুত লোক আক্ৰান্ত হৈছিল।

৬.৩.২ খাদ্য সুৰক্ষাৰ পৰিমাপ

ভাৰতবৰ্ষৰ প্ৰচলিত পুষ্টিহীনতা আৰু ক্ষুধাই ইয়াৰ খাদ্য সুৰক্ষা যে এক সাংঘাতিক অৱস্থাত আছে তাকে বুজায়। জনসংখ্যা বৃদ্ধিৰ লগে লগে বৰ্ধিত চাহিদাই এই সমস্যা অদূৰ ভৱিষ্যতে আৰু অধিক জটিল কৰি তুলিব। সেইবাবে খাদ্য সুৰক্ষাৰ বিভিন্ন দিশ তথা পৰিমাপ সঠিক ভাৱে বিশ্লেষণ কৰাটো অতি প্ৰয়োজনীয়। বহলভাবে ক'বলৈ হ'লে, খাদ্য সুৰক্ষাৰ ৪ টা পৰিমাপ আছে।

- **খাদ্যৰ পৰ্যাপ্ততা** (Food Availability) ঃ পৰ্যাপ্ত পৰিমাণৰ মানদণ্ড সম্পন্ন খাদ্যৰ উপলব্ধতা খাদ্য সুৰক্ষাৰ মুখ্য উপাদান। ই ঘৰুৱা কৃষিৰ উৎপাদনৰ জৰিয়তে নাইবা আমদানিৰ জৰিয়তে হ'ব পাৰে। বিংশ শতিকাৰ ৬০ দশকৰ ভাৰতে কৃষি উৎপাদন বৃদ্ধি আৰু স্বৱলম্বী হোৱাৰ পদক্ষেপ হিচাপে সেউজ বিপ্লৱ গ্ৰহণ কৰিছিল। উচ্চ উৎপাদন ক্ষমতা বীজ (High Yielding variety:HYV), জলসিঞ্চন, সাৰ প্ৰয়োগ আৰু আধুনিক প্ৰযুক্তিয়ে কৃষিৰ বিশেষকৈ ঘেঁহু আৰু ধানৰ উৎপাদন বৃদ্ধি কৰিছে। সেয়া হ'লেও, সেউজ বিপ্লৱে প্ৰধানতঃ পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ পশ্চিমাঞ্চল, তামিলনাড়ু আৰু অন্ধ্ৰ প্ৰদেশৰহে কৃষিৰ উৎপাদন বৃদ্ধি কৰিছিল। কিছুমান ৰাজ্য যেনে বিহাৰ, উৰিষ্যা আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহে সেউজ বিপ্লৱৰ উপকাৰিতা লাভ কৰা নাছিল। ভাৰতবৰ্ষ হ'ল ১২১ কৌটি জনসংখ্যাৰে (২০১১ ৰ পিয়ল) চীনৰ পিছতেই পৃথিৱীৰ দ্বিতীয় জনবহুল ৰাষ্ট্ৰ। বৰ্ধিত চাহিদা পূৰণৰ বাবে সুসংহত কৌশল আৰু কৃষি গৱেষণাৰ প্ৰয়োজন আছে যাতে বৈচিত্ৰ্যপূৰ্ণ খাদ্য সামগ্ৰী পৰিমাণ আৰু মানদণ্ড বৃদ্ধি কৰিব পাৰি। ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যা অনুসৰি, ২০২৩ চনৰ এপ্ৰিল মাহৰ হিচাপত ১.৪৩ বিলিয়ন প্ৰক্ষেপিত জনসংখ্যাৰ সৈতে ভাৰতে চীনক অতিক্ৰম কৰি বিশ্বৰ সৰ্বাধিক জনবহুল দেশ হিচাপে পৰিগণিত হোৱাৰ আশা কৰা হৈছিল।
- **খাদ্যৰ উপলব্ধতা** (Food Access) ঃ খাদ্য সুৰক্ষাৰ আন এক পৰিমাপ হ'ল খাদ্যৰ উপলব্ধতা, অৰ্থাৎ মানুহৰ হাতত পুষ্টিকৰ খাদ্য ক্ৰয় কৰিব পৰাকৈ ক্ৰয় ক্ষমতা। ব্যক্তি বা পৰিয়াল এটাৰ পৰ্যাপ্ত পৰিমাণে পুষ্টিকৰ খাদ্য কিনিবৰ বাবে উপযুক্ত আয় থকাটো উচিত। নিয়োগ আৰু আয়ৰ সৃষ্টিয়ে ব্যক্তিৰ ক্ৰয় ক্ষমতা বৃদ্ধি

কৰে। মহিলাৰ সামাজিক আৰু অৰ্থনৈতিক সাৱলীকৰণেও তেওঁলোকৰ লগতে তেওঁলোকৰ পৰিয়ালৰ পুষ্টি আৰু স্বাস্থ্য নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মহিলাৰ অৰ্থনৈতিক সাৱলীকৰণে আয়ৰ সৃষ্টি কৰে আৰু ইয়াৰ দ্বাৰা ক্ৰয় ক্ষমতা বৃদ্ধি হয় আৰু ই শিশু তথা পৰিয়ালৰ পুষ্টিহীনতা হ্ৰাস কৰাত সহায় কৰে।

- **ব্যৱহাৰ** (Utilisation)ঃ পৰ্যাপ্ত পৰিমাণৰ মানদণ্ড সম্পন্ন খাদ্য সামগ্ৰীৰ লগতে কিছুমান অনা-খাদ্য উপাদান, যেনে, বিশুদ্ধ খোৱা পানী, উপযুক্ত অনাময় ব্যৱস্থা আৰু স্বস্থ্য সেৱাৰ সুবিধাও খাদ্য সুৰক্ষা আৰু পুষ্টিৰ বাবে প্ৰয়োজনীয়। বিশুদ্ধ খোৱা পানী আৰু অনাময় ব্যৱস্থাৰ উপযুক্ত ব্যৱহাৰে সাধাৰণ ৰোগ, যেনে, ডায়েৰিয়া, কলেৰা, মেলেৰিয়া, ফ্লু'ৰছিছ, আৰ্ছেনিকোছিছ, ট্ৰেকোমা, পেলু, টাইফয়েদ ইত্যাদিৰ স্বাস্থ্য শংকা হ্ৰাস কৰে। উন্নত চিকিৎসা ব্যৱস্থা, যেনে, ছমাহ বয়সলৈকে কেৱল মাত্ৰ মাকৰ গাখীৰ খুওৱা, পৰিপূৰক খাদ্যৰ সম উচিত ব্যৱহাৰ, নিম্নতম খাদ্য বৈচিত্ৰতা, লো-সমৃদ্ধ পৰিপূৰক খাদ্য, পৰিপূৰক ভিটামিন Aপূৰ্ণ প্ৰতিষেধক চিটা আৰু শিশুৰ পাইখানা নিৰাপদ নিষ্কাশন ইত্যাদি পৰিপুষ্টিৰ উন্নত ব্যৱহাৰৰ বাবে প্ৰয়োজন।
- **স্থিৰতা** (Stability) ঃ সকলো সময়তে পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ উপলব্ধতা আৰু প্ৰাপ্যতা খাদ্য সুৰক্ষাৰ আন এক অতি গুৰুত্বপূৰ্ণ পৰিমাপ। ইয়াৰ বাবে ব্যক্তি আৰু পৰিয়ালৰ বাবে খাদ্যৰ যোগান আৰু প্ৰাপ্যতা স্থিৰ হোৱাটো প্ৰয়োজন। প্ৰাকৃতিক দুৰ্যোগ যেনে, বানপানী, খৰাং, ভূমিকম্প আৰু দৰ বৃদ্ধিৰ দৰে অৰ্থনৈতিক তথা চক্ৰীয় উত্থান-পতনৰ দ্বাৰা ঋতুগত খাদ্য অসুৰক্ষা হোৱা উচিত নহয়। পুষ্টিকৰ খাদ্যৰ স্থিৰ যোগান আৰু প্ৰাপ্যতাই ঋতুগত ক্ষুধা আৰু পুষ্টিহীনতা নিয়ন্ত্ৰণ কৰে। খাদ্য সুৰক্ষাৰ, সমস্যাৰ সাংখ্যিক আৰু গুণগত দুয়োটা দিশেই আছে। পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ উপলব্ধতা আৰু প্ৰাপ্যতা এক সঠিক পৰ্যায়ৰ খাদ্য সুৰক্ষা বৰ্তাই ৰখাৰ বাবে প্ৰয়োজন। সাংখ্যিক আৰু গুণগত দিশ নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰে তলত উল্লেখ কৰা তিনিটা খাদ্য ভিত্তিক সুৰক্ষা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিছে ঃ
  - ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System: PDS)
  - সংহত শিশু বিকাশ সেৱা (Integrated Child Development Scheme: ICDS), আৰু
  - মধ্যাহ্ন ভোজন আঁচনি (Mid-Day Meal: MDM)

ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS) হ'ল চৰকাৰে গ্ৰহণ কৰা আটাইতকৈ বৃহৎ শৃংখল আৰু দৰিদ্ৰতা দূৰীকৰণত ইয়াৰ উল্লেখযোগ্য প্ৰভাৱ আছে; যদিও ই যথেষ্ট বিতৰ্কিত। তদুপৰি, ভাৰত চৰকাৰে জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰাৰ বাবে বিভিন্ন নিয়োগ সৃষ্টি আঁচনিও হাতত লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) খাদ্য সুৰক্ষা হ'ল এক মৌলিক মানৱ অধিকাৰ। (শুদ্ধ/অশুদ্ধ)

(খ) পুষ্টি সুৰক্ষাৰ অবিহনেও খাদ্য সুৰক্ষা লাভ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) সেউজ বিপ্লৱ হৈছে কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে লোৱা এক পদক্ষেপ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ প্রধানত ঃ কোনসকল লোক খাদ্য অসুৰক্ষিত। (40 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৩ ঃ ঋতুগত ক্ষুধা আৰু দীর্ঘস্থায়ী ক্ষুধাৰ পার্থক্য উল্লেখ কৰক। (50 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৬.৪ ৰাজহুৱা বিতৰণ ব্যৱস্থা

আগতে উল্লেখ কৰা হৈছে, PDS হ'ল ভাৰত চৰকাৰে গ্রহণ কৰা সর্ব বৃহৎ খাদ্য ভিত্তিক সুৰক্ষা শৃংখল। ভাৰতবর্ষত PDS ৰ প্রাথমিক উদ্দেশ্য হ'ল গ্রাহকসকলক অত্যাৱশ্যকীয় ভোগ্য সামগ্রী সমূহ সুলভ আৰু ৰাজসাহার্য্য যুক্ত দৰত প্রদান কৰা, যাতে তেওঁলোকে খাদ্য সুৰক্ষাৰ নিম্নতম মানদণ্ড আৰু পুষ্টি সাধন কৰিব পাৰে। ভাৰতত PDS শৃংখলৰ অধীনত বিতৰণ কৰা প্রধান সামগ্রী সমূহ হ'ল চাউল, ঘেঁহু বা আটা, চেনী আৰু কেৰাচিন। PDS শৃংখল পৰিচালিত কৰাৰ বাবে ১৯৬৫ ত প্রতিষ্ঠা কৰা ভাৰতীয় খাদ্য নিগম (Food Corporation of India: FCI) হ'ল এক অন্যতম প্রতিষ্ঠান। FCI এ কৃষক বা উৎপাদনকাৰী সকলৰ পৰা নিম্নতম সমর্থিত দৰ (Minimum Support Price: MSP)ত খাদ্য শস্য সংগ্রহ কৰে।


ভৰত চৰকাৰে নির্ধাৰণ কৰা MSP হ'ল কৃষকসকলক বা উৎপাদনকাৰীসকলক অত্যধিক উৎপাদন হোৱা বছৰবোৰত অত্যধিক দৰ পতনৰ বিপৰীতে প্রদান কৰা সুৰক্ষা। ই হ'ল কৃষক তথা উৎপাদনকাৰী সকলৰ প্রতি এক সমর্থন, যাতে তেওঁলোকৰ উৎপাদন কোনো লোকচান নোহোৱাকৈ নিশ্চিতভাৱে বিক্রী হয়। FCI এ আহৰণ কৰা খাদ্য সামগ্রীসমূহ তেওঁলোকৰ পণ্যাগাৰ সমূহত ***'বাফাৰ' মজুত***(Buffer Stock) হিচাপে ৰখাৰ ব্যৱস্থা কৰে। FCI এ এই খাদ্য সামগ্রীসমূহ



বাফাৰ মজুত (Buffer Stock) হৈছে চৰকাৰে (FCI) ৰ জৰিয়তে আহৰণ কৰি ৰখা খাদ্যশস্য যেনে- ঘেঁহু আৰু চাউলৰ মজুত।

ৰাজ্য চৰকাৰ সমূহক কেন্দ্রীয় ইচ্ছ্যু দৰ (Central Issue Price:CPI) ত যোগান ধৰে। ৰাজ্য চৰকাৰ সমূহে এইবোৰ সুলভ মূল্যৰ দোকান বা নিয়ন্ত্রিত দৰৰ দোকানসমূহৰ জৰিয়তে গ্রাহকসকললৈ বিতৰণ কৰা দায়িত্ব বহন কৰে। ৰাজ্য চৰকাৰ সমূহ এই ব্যৱস্থাৰ প্রায়োগিক দিশৰ বাবেও দায়ৱদ্ধ। আৱণ্টন আৰু দৰিদ্র সীমাৰেখাৰ তলত বাস কৰা পৰিয়াল চিনাক্ত কৰণ, ৰেচন কার্ড বিতৰণ, সুলভ মূল্যৰ দোকান সমূহৰ কার্যকাৰিতা পর্যবেক্ষণ আৰু নিয়ন্ত্রণৰ দায়িত্বও ৰাজ্য চৰকাৰ সমূহে ল'ব লাগে।

চিত্র ৬.১ ঃ PDS ৰ কার্যপ্রণালী



১৯৯২ চনলৈকে PDS আছিল এক সাধাৰণ আঁচনি। পাহাৰত বাস কৰা দুখীয়া শ্রেণীৰ লোক, বিশেষকৈ, দূৰ আৰু দূর্গম এলেকাৰ লোক সকলৰ ওপৰত গুৰুত্ব প্রদান কৰি PDS ক শক্তিশালী কৰিবলৈ ১৯৯২ চনৰ

মাহত পুনৰুজ্জিৰীত (Revamped) ৰাজহুৱা বিতৰণ ব্যৱস্থা (RPDS) আৰম্ভ কৰা হৈছিল। সমাজৰ দুখীয়া শ্রেণীৰ ওপৰত ৰাজ্য চৰকাৰৰ সহযোগত বিশেষ গুৰুত্ব দিয়া হৈছিল। এলেকা বিশেষ আঁচনি যেনে- খৰাং প্রৱন এলেকা আঁচনি (Drought Prone Area Project: DPAP), সংহত জনজাতি উন্নয়ন প্রকল্প (Integrated Tribal Development Project: ITDP), মৰুভূমি উন্নয়ন আঁচনি (Desert Development Project: DDP), আৰু পাহাৰীয়া এলেকাৰ বাবে নির্দিষ্ট (Designated Hill Areas: DHA) আঁচনিৰ পদক্ষেপ লোৱা হৈছিল। দুখীয়া লোক চিনাক্ত কৰা আৰু খাদ্য সামগ্রী মূল্যৰ দোকান পর্যায়ত স্বচ্ছ তথা দায়বদ্ধ ৰূপত বিতৰণ কৰাৰ উদ্দেশ্যে RPDS আঁচনি সূচনা কৰাৰ ৫ বছৰ পিছত, অর্থাৎ, ১৯৯৭ ৰ জুন মাহত ভাৰত চৰকাৰে সুনির্দিষ্ট (Targeted) ৰাজহুৱা বিতৰণ ব্যৱস্থা (TPDS) আৰম্ভ কৰিছিল। হিতাধিকাৰীসকলক এনেদৰে শ্রেণী বিভাগ কৰা হৈছিল-

- দৰিদ্র সীমা ৰেখাৰ তলৰ (Below Poverty Line : BPL)
- দৰিদ্র সীমা ৰেখাৰ ওপৰৰ (Above Poverty Line: APL)

গ্রাম্যাঞ্চলত গাওঁ পঞ্চায়ত আৰু গাওঁ সভা তথা নগৰ অঞ্চলত নগৰ পালিকাৰ সহায়ত দৰিদ্র হিতাধিকাৰী সকলক চিনাক্ত কৰণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব।

PDS ৰ সংস্কাৰে দেশত ক্ষুধা আৰু দৰিদ্রতাৰ সমস্যা দূৰ কৰিবলৈ সক্ষম হোৱা নাছিল,

যিহেতু সমাজৰ আটাইতকৈ দৰিদ্ৰ শ্ৰেণীৰ লোকে দুবেলা-দুমুঠি খাই শুব পৰা নাছিল। TPDS ক সমাজৰ এই শ্ৰেণীৰ প্ৰতি অধিক দৃষ্টিবদ্ধ আৰু লক্ষ্য স্থিৰ কৰাৰ উদ্দেশ্যে ২০০০ চনৰ ডিচেম্বৰত অন্ত্যোদয় অন্ন যোজনা (Antyodaya Anna Yojana: AAY) আৰম্ভ কৰা হৈছিল। অন্ত্যোদয়ৰ বাবে চিহ্নিত পৰিয়ালবোৰে ২০০২ চনৰ ২ এপ্ৰিলৰ পৰা প্ৰতিটো পৰিয়ালৰ প্ৰতি মাহে ৩৫ কেজি চাউল পাবলৈ সক্ষম হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ FCI কি? ই কেতিয়া প্ৰতিষ্ঠান হৈছিল? (30 টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৫ ঃ MSP আৰু CPI ৰ সংজ্ঞা দিয়ক? (40 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ PDS ৰ অধীনত বিতৰণ কৰা বিভিন্ন ৰেচন কার্ডৰ প্ৰকাৰ সমূহ কি কি? (40 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৬.৫ খাদ্য সুৰক্ষা আইন, ২০১৩

PDS ৰ সুসংস্কাৰৰ উপায় হিচাপে আৰু খাদ্য আৰু পুষ্টিৰ সুৰক্ষা মৌলিক অধিকাৰ হিচাপে নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদ (National Development Council: NDC) এ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিলৰ খচৰা প্ৰস্তাৱ ২০১১ ৰ জানুৱাৰী-ফ্ৰেব্ৰুৱাৰীত উপস্থাপন কৰে আৰু ইয়াক ২০১৩ ৰ ১২ চেপ্তেম্বৰত আইন হিচাপে স্বাক্ষৰ কৰা হয়। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA), ২০১৩ ৰ লক্ষ্য হ'ল "এক মৰ্যাদাপূৰ্ণ জীৱন জীয়াই থকাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ গুণগত মান সম্পন্ন খাদ্য সহজলভ্য দৰত উপলব্ধতা নিশ্চিত কৰি, মানুহৰ জীৱন চক্ৰত খাদ্য আৰু পুষ্টিৰ সুৰক্ষা প্ৰদান কৰা।" NFSA, ২০১৩ ৰ মূল বৈশিষ্ট্য সমূহ তলত দিয়া ধৰণৰ।

- **পৰিসৰ আৰু অধিকাৰ** (Coverage and entitlement) ঃ এই আইনখনে ৭০% গ্ৰাম্য জনসংখ্যা আৰু ৫০% নগৰীয়া জনসংখ্যা সামৰি লোৱাৰ লক্ষ্য আগত ৰাখিছে। TPDS ৰ

অধীনত প্ৰতিটো পৰিয়ালে ৫ কেজি চাউল, আটা আৰু অপৰিস্কৃত শস্য প্ৰতিজনে প্ৰতিমাহে ক্ৰমে ৩ টকা, ২ টকা আৰু ১ টকা দৰত লাভ কৰিব। কিন্তু প্ৰচলিত AAY অনুসৰি, প্ৰতিটো পৰিয়ালে প্ৰতিমাহে ৩৫ কেজিকৈ লাভ কৰিব। ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মানদণ্ডৰ ওপৰত ভিত্তি কৰি হিতাধিকাৰী চিনাক্ত কৰিব।

- **ৰাজসাহায্য যুক্ত দৰৰ পুনৰীক্ষণ** ঃ আইনখনৰ বলবৎ হোৱাৰ প্ৰথম ৩ বছৰত TPDSৰ অধীনত খাদ্যশস্যৰ দৰ একে থাকিব। তাৰ পিছত নিম্নতম সমৰ্থিত দৰ (MSP) সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে এই দৰ সমূহ পৰিবৰ্তন কৰিব।
- **মহিলা আৰু শিশুলৈ পৌষ্টিক সমৰ্থন** ঃ NFSA, ২০১৩ ৰ লক্ষ্য হ'ল সংহত শিশু বিকাশ আঁচনি (ICDS) আৰু মধ্যাহ্ন ভোজন আঁচনি (MDM) ৰ উন্নীত কৰণৰ যোগেদি মহিলা আৰু শিশুৰ স্বাস্থ্য তথা পৌষ্টিকতা সমৰ্থন কৰা। ৬ মাহৰ পৰা ৬ বছৰ বয়সৰ শিশু সকললৈ বিনামূলীয়া খাদ্য প্ৰদান কৰা দায়িত্ব স্থানীয় অঙ্গনবাড়ী কেন্দ্ৰই ল'ব। অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী স্কুল সমূহত বিনামূলীয়া মধ্যাহ্ন ভোজন লাভ কৰিব। গৰ্ভৱতী আৰু গাখীৰতী মাতৃ সকলক গৰ্ভধাৰণৰ সময় আৰু সন্তান জন্মৰ পিছৰ ছমাহলৈকে স্থানীয় অঙ্গনবাড়ী কেন্দ্ৰত তেওঁলোকে ৬০০০ টকালৈকে মাতৃত্বৰ সুবিধাও লাভ কৰিব।
- **মহিলাৰ সৱলীকৰণ** (Women Empowerment) ঃ এই আইনখনে মহিলা সৱলীকৰণৰ উদ্দেশ্য সফল কৰিবৰ বাবে ৰেচন কার্ড সমূহ পৰিয়ালৰ ১৮ বছৰ বা তাৰ উৰ্ধ্বৰ জ্যেষ্ঠ মহিলাগৰাকীক পৰিয়ালৰ মূৰব্বী হিচাপে লৈ ৰেচনকার্ড বিতৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।
- **অভিযোগ নিষ্পত্তি ব্যৱস্থা** ঃ এই আইনখন বলবৎ কৰাৰ ক্ষেত্ৰত আৰু দুৰ্নীতি বা ভেজাল কৰণৰ ক্ষেত্ৰত দেখা দিয়া যিকোনো অভিযোগ জিলা বা ৰাজ্যিক পৰ্যায়ত অভিযোগ নিষ্পত্তিৰ ব্যৱস্থাপনাৰ দ্বাৰা নিষ্পত্তি কৰিব পাৰি। ৰাজ্য সমূহৰ প্ৰচলিত ব্যৱস্থা ব্যৱহাৰ কৰা বা বেলেগকৈ ব্যৱস্থাপনা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত শিথিলতা লাভ কৰিব।
- **ৰাজ্যসমূহলৈ পৰিবহন ব্যয়ৰ সাহায্য** ঃ ৰাজ্যসমূহৰ ভিতৰত খাদ্য শস্যৰ পৰিবহন ইয়াৰ বিতৰণ আৰু সুলভ মূল্যৰ দোকানীসকলৰ প্ৰান্তিক ব্যয় বহন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্যে নিৰ্ধাৰণ কৰা নীতিৰ ভিত্তিত ৰাজ্যসমূহলৈ পৰিবহন ব্যয়ৰ সাহায্য আগবঢ়াব।
- **খাদ্য সুৰক্ষা ভাট্টা** (Fool Security Allowance) ঃ যদি প্ৰাপ্য খাদ্যশস্য হিতাধিকাৰীসকললৈ যোগান ধৰিব পৰা নাযায় তেনে ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য চৰকাৰে এই হিতাধিকাৰী সকললৈ খাদ্য সুৰক্ষা ভাট্টা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।
- **ৰাজ্যিক খাদ্য আয়োগৰ ব্যৱস্থা** ঃ ৰাজ্যিক খাদ্য আয়োগে আইনখনৰ কার্যকৰীকৰণ পর্যবেক্ষণ আৰু মূল্যায়ন কৰিব; লগতে ৰাজ্য চৰকাৰ আৰু ইয়াৰ অভিকৰণ সমূহক পৰামর্শ দান কৰিব আৰু আইনৰ ধাৰা ভংগ কৰাৰ তদন্ত কৰিব।
- **জৰিমনা** ঃ জিলা অভিযোগ নিষ্পত্তি বিষয়াৰ দ্বাৰা নির্দেশ জাৰি কৰা উপায়সমূহ মানি চলিবলৈ ব্যর্থ হোৱা চৰকাৰী বিষয়া বা কর্তৃপক্ষৰ ওপৰত ৰাজ্যিক খাদ্য আয়োগে জৰিমনা বিহিব।

NFSA, ২০১৩ আইনখন হ'ল খাদ্যৰ অধিকাৰ আৰু বিধিগতভাৱে প্ৰদান কৰা সা-সুবিধাসমূহ এক কাঠামোৰ আওঁতালৈ অনাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

৬.৬ দৰিদ্ৰতাৰ ওপৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ প্ৰভাৱ

৬.৬.১ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্যৰ ৰাজ সাহায্য

PDS ৰ মুখ্য উদ্দেশ্য হ'ল অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী সমূহ, যেনে- চাউল, ঘেঁহু, চেনী, খোৱাতেল আৰু কেৰাচিন আদি ৰাজসাহায্য যুক্ত দৰত প্ৰদান কৰা আৰু এনেদৰে এক সুৰক্ষিত খাদ্য সুৰক্ষা পৰ্য্যায় নিশ্চিত কৰা। ই হ'ল দৰ স্থিৰতাৰ এক আহিলা আৰু ই ব্যৱসায়ী সফলৰ শোষণৰ বিৰুদ্ধে কাম কৰে বা কৃত্ৰিম নাটনিৰ জৰিয়তে খুচুৰা ব্যৱসায়ী সকলে অধিক লাভ আহৰণ কৰাৰ বিৰুদ্ধে এক শক্তি হিচাপে কাম কৰে।

ৰাজহুৱা বিতৰণ ব্যৱস্থাত চৰকাৰৰ ৰাজহুৱা ভয় ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে। চৰকাৰৰ মুঠ বিয়ৰ অনুপাত হিচাপে খাদ্য ৰাজসাহায্য, ২০০০-০১ চনৰ পৰা ২০১৯-২০ চনলৈকে গড়ে ৪.০ শতাংশ আছিল। কেন্দ্ৰীয় চৰকাৰৰ খাদ্য ৰাজসাহায্য ১৯৮০-৮১ চনত (বৰ্তমানৰ মূল্যত) ৬৫০ কোটি টকাৰ পৰা ২০২১-২২ চনত ২৪২৮৩৪ কোটি টকালৈ বৃদ্ধি পাইছে (তালিকা ৬.১)।

৬.১ ঃ কেন্দ্ৰীয় চৰকাৰৰ ৰাজ সাহায্যযুক্ত খাদ্যত কৰা ব্যয়

বছৰ	চলিত দৰত ব্যয় (কোটি টকাত)	বছৰ	চলিত দৰত ব্যয় (কোটি টকাত)
১৯৮০-১৯৮১	৬৫০	২০১৬-২০১৭	১২৩,৪৮৩
১৯৯০-১৯৯১	২৪৫০	২০১৭-২০১৮	১৪৫,৩৩৮
২০০০-২০০১	১২,০১০	২০১৮-২০১৯	১০১,৩২৭
২০০৫-২০০৬	২৩,০৭১	২০১৯-২০২০	১০৮,৬৮৮
২০১০-২০১১	৬৩,৮৪৪	২০২০-২০২১*	১১৫,৫৭০
২০১৫-২০১৬	১২৪,৪১১	২০২১-২০২২*	২৪২,৮৩৪

* বাজেট কৰা হৈছে

উৎস ঃ Datt. G & Mahajan, A. (2016). Datt and Sundharam's Indian Economy; PRS Legislative Research, 2021. Union Budget 2021-22 Analysis

তদুপৰি, উপলব্ধ তথ্যই এইটোও সূচায় যে ২০০১ চনৰ পৰা ২০২০ চনৰ ভিতৰত গড়ে বাৰ্ষিক খাদ্য শস্যৰ ক্ৰয় ৫৭.১১ নিযুত টন হৈছিল; ইয়াৰে ৪০.০৩ নিযুত টন ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত বিতৰণ কৰা হৈছিল। এইদৰে, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত বিতৰণ কৰা খাদ্যশস্যৰ শুদ্ধ উপলব্ধতা (net availabillity) ৰ ১৯.০৭

শতাংশ লাভ কৰিছিল। তথ্যই ইংগিত দিয়ে যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত বিতৰণ কৰা খাদ্যশস্যৰ শুদ্ধ উপলব্ধতা আৰু ক্রয় অবিৰতভাৱে বৃদ্ধি পাইছে। খাদ্যশস্যৰ বিতৰণে দেখুৱাইছে যে সঠিক বিতৰণৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্রয়োজন জাতে খাদ্যশস্যৰ অপচয়ৰ পৰা হাত সাৰিব পৰা যায় আৰু আৰ্তজনে সময়মতে আৰু সঠিক পৰিমাণৰ খাদ্যশস্য লাভ কৰে।

৬.৬.২ নিম্নতম সমর্থিত দৰৰ জৰিয়তে কৃষকসকললৈ উদ্‌গণি

কৃষি ব্যয় আৰু দৰ আয়োগৰ (Commission for Agricultural Costs and Prices: CACP) পৰামর্শ অনুসৰি, কৃষি ঋতুৰ আৰম্ভণিতে নিম্নতম সমর্থিত দৰ (MSP) প্রদানৰ জৰিয়তে চৰকাৰে দুখীয়া কৃষক সকলৰ উৎপাদিত সামগ্রী সুৰক্ষিত কৰে। ই কৃষক সকলক বিক্রীৰ হতাশাত ভোগাৰ দৰে পৰিস্থিতিত সমর্থন কৰে আৰু তেওঁলোকৰ খেতিপথাৰৰ উন্নয়নৰ বাবে মূলধন বিনিয়োগ কৰাত উৎসাহ যোগায়। বর্তমান ২৪ বিধ সামগ্রীৰ ওপৰত MSP ঘোষণা কৰা হৈছে। ইয়াৰে ৭ বিধ খাদ্যশস্য (ধান, ঘেঁহু, বার্লি, জোৱাৰ, বজৰা, মাকৈ আৰু ৰাগি), ৫ বিধ মাহজাতীয় (বুট, ৰহৰ, মগু, মাটিমাহ আৰু মচুৰ), ৮ বিধ তৈল বীজ, শুকান নাৰিকল, কেঁচা মৰাপাট, কেঁচা কপাহ আৰু ধঁপাত। কিন্তু কৃষক সকল, ঘেঁহু আৰু ধানৰ ওপৰত থকা MSP ৰ প্রতিহে সজাগ, যাৰ ফলত তেওঁলোকে খেতিৰ ধৰণ এই দুবিধ শস্যলৈ পৰিবর্তন কৰিবলৈ তৎপৰ হোৱা দেখা গৈছে। খেতিয়ক সকলক অন্যান্য খাদ্যশস্যৰ ওপৰত থকা MSP ৰ বিষয়েও সজাগ

তালিকা ৬.২ ঃ ঘেঁহু আৰু ধানৰ MSP

বছৰ	ঘেঁহুৰ	ধান ৰ MSP	
	MSP	সাধাৰণ	গ্রেড A
২০১৩-২০১৪	১৩৫০	১৩১০	১৩৪৫
২০১৪-২০১৫	১৪০০	১৩৬০	১৪০০
২০১৫-২০১৬	১৪৫০	১৪১৬	১৪৫০
২০১৬-২০১৭	১৫২৫	১৪৭০	১৫১০
২০১৭-২০১৮	১৬২৫	১৫৫০	১৫৯০
২০১৮-২০১৯	১৭৩৫	১৭৫০	১৭৭০
২০১৯-২০২০	১৮৪০	১৮১৫	১৮৩৫
২০২০-২০২১	১৯২৫	১৮৬৮	১৮৮৮
২০২১-২০২২	১৯৭৫	১৯৪০	১৯৬০
২০২২-২০২৩	২০১৫	২০৪০	২০৬০

উৎস ঃ খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগ, গ্রাহক পৰিক্রমা মন্ত্রালয়, ভাৰত চৰকাৰ

কৰা প্ৰয়োজন যাতে দুখীয়া লোক সকলৰ পুষ্টিৰ সুৰক্ষা বজাই ৰাখিবৰ বাবে অধিক বৈচিত্ৰ্যপূৰ্ণ কৃষি পদ্ধতিৰ প্ৰতি উৎসাহিত হয়। ২০১৩-১৪ চনৰ পৰা শেহতীয়া সময়ত CACP ৰ পৰামৰ্শ অনুসৰি কৃষি আৰু সমবায় বিভাগে নিৰ্ধাৰণ কৰা ঘেঁহু আৰু ধানৰ নূন্যতম সহায়ক মূল্য সূচী ৬.২ দেখুওৱা হৈছে।

৬.৭ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সীমাবদ্ধতা

খাদ্য সুৰক্ষাৰ বৃহত্তম শৃংখল হিচাপে PDS এ দেশৰ দৰিদ্ৰতা আৰু ক্ষুধা দূৰীকৰণৰ ক্ষেত্ৰত ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হোৱা নাই। ভাৰতৰ বহুতো অঞ্চলত এতিয়াও ক্ষুধাৰ সমস্যা চলি আছে।

- **অবৈজ্ঞানিক সংৰক্ষণ আৰু অপচয় ঃ** ভাৰতত তিনিটা স্তৰত সংৰক্ষণ অভিকৰণ আছে- FCI, কেন্দ্ৰীয় পণ্যাগাৰ নিগম আৰু ৰাজ্যিক পণ্যাগাৰ নিগম সমূহ। এই অভিকৰণসমূহে নিজেই এনে পণ্যাগৰ সাজিব পাৰে, বা ব্যক্তিগত মালিকৰ পৰা ভাড়াত ল'ব পাৰে। শস্য সমূহ হয় আবৃত গুডাম বা মজিয়া (Covered and Plenth:CAP) বুলি কোৱা হয়। ঠিক তেনেদৰে, অনাবৃত গুডামতো খাদ্য শস্য সংৰক্ষিত কৰা হয়। অৰ্থাৎ এই অভিকৰণসমূহৰ সংৰক্ষণ ক্ষমতা অভিকৰণে ভাড়াত লোৱা, অধিকৃত আৰু আবৃত / CAP- এই তিনিওটাৰে মুঠ সংৰক্ষণ ক্ষমতা মিলি হয়। FCI ৰ সংৰক্ষণ ক্ষমতা আটাইতকৈ অধিক আৰু ই দিনে দিনে বৃদ্ধি পাই আছে। কিন্তু আৱৰণ আৰু মজিয়া (CAP) ৰ ক্ষমতা আবৃত সংৰক্ষণ ক্ষমতাতকৈ অধিক বৃদ্ধি পাইছে। CAP হ'ল অবৈজ্ঞানিক আৰু ইয়াৰ ফলত খাদ্যৰ গুণাগুণ নষ্ট হয় আৰু চুৰি কাৰ্যৰ সম্ভাৱনাও বৃদ্ধি পায়।
- **অপৰ্যাপ্ত সংৰক্ষণ ক্ষমতাঃ** PDS ৰ খাদ্যশস্য সংৰক্ষণ ক্ষমতা অপৰ্যাপ্তও। প্ৰয়োজনীয় আৰু প্ৰচলিত সংৰক্ষণ ক্ষমতাৰ মাজত বৃহৎ ব্যৱধান আছে। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত খাদ্যশস্য সংৰক্ষণৰ ক্ষমতা সৃষ্টি কৰাৰ বাবে 16 নিযুত টন ব্যৱধান চিনাক্ত কৰা হৈছে।
- **অত্যাধিক বাফাৰ মজুতঃ** মুকলি ক্ৰয় ব্যৱস্থাৰ অধীনত চৰকাৰে কিমান পৰিমাণ ক্ৰয় কৰিব বিচৰা হৈছে, সেইটো ঠিৰাং কৰিব নোৱাৰে। কৃষকে যিমান পৰিমাণৰে শস্য প্ৰদান কৰে, চৰকাৰে সিমানেই ক্ৰয় কৰিব লাগে। ইয়াৰ ফলত অত্যধিক বাফাৰ মজুত সৃষ্টি হয়, যিটো অনাকাংক্ষিত আৰু অপচয় মূলক। অত্যাধিক খাদ্যৰ মজুত সংৰক্ষণ, উচ্চ পৰিবহণ ব্যয়, অপচয় আৰু শস্যৰ গুণাগুণ নষ্টৰ বাবে দায়ী। ই মুকলি বজাৰত খাদ্য শস্যৰ নাটনি আৰু মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰে।
- **গুৰুতৰ বিত্তীয় বোজাঃ** PDS ৰ খাদ্যশস্যৰ ওপৰত ধাৰাবাহিক ভাৱে বৃদ্ধি হৈ অহা ৰাজসাহাৰ্যই চৰকাৰৰ ওপৰত গুৰুতৰ বিত্তীয় বোজা জাপি দিছে। খাদ্য ৰাজসাহায্য ১৯৮০-৮১ চনত ৬৫০ কোটি টকাৰ পৰা ২০১৬-১৭ চনত ১৩৪৮৩৪ কোটি টকালৈ আৰু শেহতীয়াকৈ ২০২১-২২ চনত ২৪২৮৩৪ কোটি টকালৈ বৃদ্ধি পাইছে।খাদ্যৰ ৰাজসাহাৰ্য

হ'ল নিৰ্গম মূল্য (issue price) আৰু অৰ্থনৈতিক ব্যয়ৰ মাজত পাৰ্থক্য। চৰকাৰে দুখীয়া লোক সকলক আটাইতকৈ কম দামত খাদ্যশস্য যোগান ধৰাৰ বাবে নিৰ্গম মূল্য হ্ৰাস কৰি আহিছে। আনহাতে, বৰ্ধিত MSP আৰু সংৰক্ষণ ব্যয়ৰ বাবে অৰ্থনৈতিক ব্যয় বৃদ্ধি হৈছে। ইয়াৰ পৰিণতিত খাদ্যৰ ৰাজসাহায্য বৃদ্ধি হৈছে আৰু চৰকাৰৰ ওপৰত গুৰুতৰ বিত্তীয় বোজা পৰিছে।

- MSP **আৰু শস্যৰ ধৰণ ঃ** এফালে বৰ্ধিত MSP য়ে চৰকাৰৰ ওপৰত বোজাৰ সৃষ্টি কৰিছে আৰু আনফালে ই দেশত শস্যৰ ধৰণ বিনষ্ট কৰিছে। কৃষকসকলে বৰ্ধিতMSP ৰ বাবে ধান আৰু ঘেঁহু উৎপাদন কৰাৰ প্ৰতি অধিক আগ্ৰহী। কিন্তু উপভোগৰ ধৰণ অনা খাদ্যশস্যৰ পিনেও পৰিবৰ্তিত হৈছে, কিন্তু তৎসত্ত্বেও এইবোৰৰ উৎপাদন বৃদ্ধি হোৱা নাই। ফলস্বৰূপে, চাহিদা আৰু যোগানৰ অসামঞ্জস্য ঘটিছে আৰু বজাৰ দৰ বাঢ়িছে আৰু মানুহৰ জীৱন-ধৰণৰ ব্যয় বাঢ়িছে।
- **চিনাক্তকৰণৰ সমস্যা ঃ** অনানুষ্ঠানিক আৰু অসংগঠিত খণ্ডত কাম কৰা মানুহৰ উপাৰ্জনৰ অনিয়মিতাৰ বাবে উপাৰ্জনৰ ওপৰত ভিত্তি কৰি APL আৰ BPL পৰিয়াল চিনাক্ত কৰণ কৰাটো কঠিন। বহুসময়ত প্ৰকৃতাৰ্থত সাহায্য পাব লগা পৰিয়াল বহির্ভূত হয় আৰু ই উচ্চ বহির্ভূতকৰণ ত্ৰুটিৰ সৃষ্টি কৰে। তদুপৰি, BPL আৰু AAY পৰিয়াল পাৰ্থক্য নিৰূপণ কৰাটো কঠিন। PDS, ৰেচনকাৰ্ডত অনা দৰিদ্ৰ পৰিয়ালৰ অন্তৰ্ভুক্তিয়ে উচ্চ অন্তৰ্ভুক্তি ত্ৰুটিৰ সৃষ্টি কৰে।

  APL আৰ BPL পৰিয়াল চিনাক্ত কৰা প্ৰক্ৰিয়াটো গাওঁপঞ্চায়ত আৰু গাওঁসভাৰ দ্বাৰা কৰা হয়। ৰাজনৈতিক হেঁচা আৰু গাওঁ পঞ্চায়ত আৰু গাওঁসভাৰ দুৰ্নীতিয়ে বৰ্হিভূত কৰণ আৰু অন্তভুক্তি কৰণ ত্ৰুটিৰ সৃষ্টি কৰে। এইদৰে, এই সমস্যাটোৰ বাবে ধাৰণাগত আৰু কাৰ্যকৰীগত ভাৱে উপযুক্ত জনসাধাৰণে PDS ৰ উপকাৰিতা সমূহ পাবলৈ সক্ষম হোৱা নাই।
- PDS **ব্যৱসায়ীৰ দুৰ্নীতি ঃ** খাদ্যশস্য সমূহ অধিক লাভৰ বাবে মুকলি বজাৰত বিক্ৰী কৰা, সুলভ মূল্যৰ দোকানত নিম্নমানৰ শস্য বিক্ৰী কৰা, দোকান খোলাৰ অনিয়মিতা ইত্যাদিৰ দ্বাৰা PDS ব্যৱসায়ী সকলে কৰা দুৰ্নীতিয়ে PDS ব্যৱস্থা কাৰ্যকৰী ভাৱে ৰূপায়ণ কৰাত বাধা প্ৰদান কৰিছে আৰু ইয়াৰ বাবে দেশত খাদ্য আৰু পুষ্টি সুৰক্ষা সমস্যা সমাধান কৰাত ব্যৰ্থ হৈছে।
- PDS **দোকানৰ পৰা ক্ৰয় কৰাৰ প্ৰতি নিম্ন উদ্‌গনি ঃ** APL পৰিয়ালৰ বাবে নিৰ্গম মূল্য আৰু মুকলি বজাৰৰ দৰৰ মাজত পাৰ্থক্য উল্লেখনীয় ভাৱে একেবাৰে কম। নিম্ন আয়ৰ APL পৰিয়াল সমূহে প্ৰায় মুকলি বজাৰৰ সমানে দৰ দিব লাগে। ই সুলভ মূল্যৰ দোকানৰ পৰা বস্তু কিনাৰ উৎসাহ হ্ৰাস কৰে। সৰ্বভাৰতীয় পৰ্যায়ত PDS শস্য উপভোগৰ গড় হাৰ অতি নিম্ন। ই সুলভ মূল্যৰ দোকানৰ মালিকৰ লাভো হ্ৰাস কৰে আৰু সুলভ মূল্যৰ দোকান সমূহ বৰ্তি থকাৰ প্ৰশ্নও সৃষ্টি কৰে।

৬.৮ সমাধানৰ উপায়

PDS ত গাঁথনিগত আৰু কার্যকৰীকৰণৰ বহুতো সমস্যা আছে; কিন্তু তথাপিও ই দৰিদ্ৰ সকলৰ বাবে এতিয়াও আটাইতকৈ ভাল প্ৰকৃতিৰ খাদ্য সুৰক্ষা বুলি বিবেচিত হৈছে। এই ব্যৱস্থাক আৰু অধিক শক্তিশালী আৰু কার্যক্ষম কৰিবলৈ আৰু ইয়াৰ সম্ভাৱনীয়তা সমূহৰ পূৰ্ণ ব্যৱহাৰৰ বাবে PDS ৰ সংস্কাৰৰ প্ৰয়োজন আছে। কেতবোৰ গুৰুত্বপূৰ্ণ সংস্কাৰৰ উপায় তলত দিয়া ধৰণৰ।

- হিতাধিকাৰীৰ চিনাক্তকৰণ "বহির্ভূতকৰণ প্ৰক্ৰিয়া"ৰ ভিত্তিত হোৱা উচিত। দৰিদ্ৰ সকলক চিনাক্তকৰণৰ পৰিৱর্তে ধনীসকলক চিনাক্ত কৰি বাহিৰত ৰখা আৰু আন সকলোবোৰক অন্তভুৰ্ক্ত কৰাটো অধিক কার্যকৰী হ'ব। ই গ্ৰামাঞ্চলত হিতাধিকাৰীৰ অন্তর্ভুক্তি পৰিসৰ বৃদ্ধি কৰিব।
- **জৱাহৰ ৰোজগাৰ যোজনা** (Jawahar Rozgar Yojana: JRY) বা মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত কৰণ আইন (Mahtma Gandhi National Rural Employment Guarantee Act: MGNREGA) আদিৰ দৰে নিয়োগ সৃষ্টিৰ আঁচনি প্ৰদানৰ জৰিয়তে PDS ত অনাদৰিদ্ৰৰ অন্তর্ভুক্তিৰ ত্ৰুটি হ্ৰাস কৰিব পাৰি।
- **ৰাজ্য চৰকাৰে খাদ্য মোহৰ** (Food Stamp) বা কুপন পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান সমূহক বিতৰণ কৰা উচিত, যাতে তেওঁলোকে এইবোৰ দৰিদ্ৰ সকলক বিতৰণ কৰিব পাৰে। ই বিচলন আৰু অপব্যৱহাৰৰ সমস্যা হ্ৰাস কৰিব।
- **ৰাফাৰ মজুতৰ প্ৰয়োজনীয়তা আৰু পণ্যাগাৰ সমূহৰ সংৰক্ষণ** বা ক্ষমতাৰ যথাযথ নির্ধাৰণ কৰাটো PDS ৰ অধীনত আবন্তণ কৰা খাদ্য শস্য সমূহৰ নিয়ন্ত্ৰণ আৰু অপচয় হ্ৰাস কৰাৰ বাবে অত্যাবশ্যকীয়।
- **দক্ষতাপূৰ্ণ ব্যৱস্থাপনা আৰু নিয়মিত** পর্যবেক্ষণে সুলভ মূল্যৰ দোকান সমূহৰ কার্যকাৰীতা উন্নত কৰিব পাৰে আৰু অদক্ষতা তথা দুর্নীতি দূৰ কৰিব পাৰে।



৬.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- জনসাধাৰণৰ বাবে খাদ্য সুৰক্ষাৰ মৌলিক অধিকাৰ নিশ্চিত কৰাৰ কাৰণে ভাৰত চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।
- PDS ৰ বহুতো আঁসোৱাহ থকাৰ কাৰণে ই দৰিদ্ৰ সকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাত ব্যর্থ হৈছে।
- NFSA, 2013 ত PDS ৰ সংস্কাৰৰ জৰিয়তে দৰিদ্ৰ কেন্দ্ৰীক নতুনত্ব হিচাপে আৰম্ভ কৰা হৈছে। কিন্তু ইও সমালোচনাৰ উৰ্ধৰ্ত নহয়।
- বিভিন্ন অধ্যয়নৰ পৰা প্ৰতীয়মান হৈছে যে সুৰুঙা আৰু হিতাধিকাৰী চিনাক্তকৰণৰ সমস্যা NFSA, 2013ত এতিয়াও বিৰাজমান।

- PDS ৰ ব্যাপক প্ৰসাৰেৰে দৰিদ্ৰ সকলৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ বাবে দৰিদ্ৰতা হ্ৰাসকৰণ আৰু নিয়োগৰ সুবিধা সৃষ্টি কৌশলৰ ওপৰত অধিক জোৰ দিয়াটো সমীচিন হ'ব।

৬.১০ অধিক জানিবলৈ

1) Datt, G and Mahajan, A. *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

2) Misra, S.K. & Puri, V.K. *Indian Economy.* New Delhi: Himalya Publishing House.

3) Sen, A. K.*Poverty and Famines: An Essay on Entitlement and Deprivation.* New Delhi: Oxford University Press.

৬.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

২ নং প্ৰশ্ন উত্তৰ ঃ খাদ্য অসুৰক্ষিত মানুহবোৰৰ ভিতৰত অন্তৰ্ভুক্ত সেই সকল মানুহ, যি সকল কম মজুৰী বৃত্তিত নিয়োজিত, দিন হাজিৰা কৰা শ্ৰমিক, ভূমিহীন লোক, কম আয়ৰ স্বনিয়োজিত লোক, লক্ষ্যহীন ভিক্ষাৰীকে ধৰি শ্ৰমিকসকল, প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত লোক সকল আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাবে মহিলা আৰু শিশুসকল।

৩ নং প্ৰশ্ন উত্তৰ ঃ ক্ষুধা দুই ধৰণৰ হ'ব পাৰে ঋতুগত ক্ষুধা আৰু দীৰ্ঘস্থায়ী ক্ষুধা।

ঋতুগত ক্ষুধা খাদ্য সুৰক্ষা আৰু অসুৰক্ষা চক্ৰৰ লগত জড়িত। ঋতুগত ক্ষুধা হ'ল সেই প্ৰকাৰৰ ক্ষুধা, যেতিয়া এজন মানুহে বছৰটো কিছু সময় ধৰি সংখ্যাগত ভাৱে অথবা গুণগত ভাৱে উপযুক্ত খাদ্য যোগাৰ কৰিব নোৱাৰে। আনহাতে, দীৰ্ঘস্থায়ী ক্ষুধা খাদ্যৰ পৰিমাণৰ ভিত্তিত অথবা গুণাগুণৰ ভিত্তিত নিৰ্দ্ধাৰিত হয়। সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে দীৰ্ঘস্থায়ী ক্ষুধাত ভোগে কাৰণ, তেওঁলোকৰ আয় অতি নিম্ন আৰু ফলস্বৰূপে তেওঁলোকে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় খাদ্য সামগ্ৰী খিনি ক্ৰয় কৰিবলৈও অসমৰ্থ।

৪ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতীয় খাদ্য নিগম (FCI) হ'ল PDS শৃংখল পৰিচালনাৰ প্ৰধান অভিকৰণ। FCI এ খাদ্যশস্য, বিশেষকৈ ঘেঁহু আৰু চাউল শস্য চপোৱাৰ ঠিক পিছে পিছে কৃষক সকলৰপৰা সংগ্ৰহ কৰে। এই শস্য সমূহৰ মজুত সমাজৰ দুখীয়া শ্ৰেণীৰ মাজত সুলভ মূল্যৰ দোকানৰ যোগেদি বিতৰণ কৰা হয়। ১৯৬৫ চনত FCI প্ৰতিষ্ঠা কৰা হৈছিল।

৫ নং প্ৰশ্ন উত্তৰ ঃ ভাৰত চৰকাৰে (খেতি কৰাৰ পূৰ্বে) নিৰ্ধাৰণ কৰা MSP হ'ল কৃষক সকলক বা উৎপাদনকাৰীসকলক অত্যধিক উৎপাদন হোৱা বছৰবোৰত অত্যধিক দৰ পতনৰ বিপৰীতে প্ৰদান কৰা সুৰক্ষা। নিৰ্গমন দৰ হ'ল সেই দৰ, যি দৰত FCI ৰ পৰা খাদ্য সামগ্ৰী আহৰণ কৰা হয়। MSP আৰু CIP মাজৰ পাৰ্থক্য ৰাজ সাহায্য বুলি কোৱা হয়।

৬ নং প্ৰশ্ন উত্তৰ ঃ PDS ৰ অধীনত বিতৰণ কৰা ৰেচনকার্ড সমূহ তিনি প্ৰকাৰৰ—

(ক) দৰিদ্ৰ সীমা ৰেখাৰ তলৰ (BPL)

(খ) দৰিদ্ৰ সীমা ৰেখাৰ ওপৰৰ (APL)

(গ) অন্ত্যোদয়া অন্ন যোজনা (AAY)



৬.১২ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত খাদ্য সুৰক্ষাৰ সমস্যা আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতবৰ্ষত PDS ৰ কাৰ্য প্ৰণালীৰ ওপৰত এটি চমুটোকা লিখক।

৩ নং প্ৰশ্ন ঃ NFSA, 2013 ৰ মৌলিক বৈশিষ্ট্য সমূহ ব্যাখ্যা কৰক।

৪ নং প্ৰশ্ন ঃ চমু টোকা লিখক-

(ক) নিম্নতম সমৰ্থিত দৰ (MSP)

(খ) TPDS

(গ) ক্ষুধা আৰু পুষ্টিহীনতা

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ খাদ্য সুৰক্ষা কি? খাদ্য সুৰক্ষাৰ বিভিন্ন পৰিমাপ সমূহ আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ PDS ৰ কাৰ্য প্ৰণালী ব্যাখ্যা কৰক। ইয়াৰ সীমাৱদ্ধতা আলোচনা কৰক আৰু ইয়াৰ উন্নতিকল্পে কেত বোৰ গুৰুত্বপূৰ্ণ কৌশলৰ পৰামৰ্শ আগবঢ়াওক।

৩ নং প্ৰশ্ন ঃ "PDS হ'ল ভাৰত চৰকাৰে আৰম্ভ কৰা সৰ্ববৃহৎ খাদ্য ভিত্তিক সুৰক্ষা শৃংখল।" ভাৰতত দৰিদ্ৰতাৰ ওপৰত PDS ৰ প্ৰভাৱ বিবেচনা কৰি উক্তিটোৰ মূল্যায়ন কৰক।

*** ***** ***